# Telephone Conversation between Prime Minister and President of Sri Lanka

May 23, 2020

---

# প্ৰধানমন্ত্ৰী আৰু শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

মে’ 23, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি মহামহিম গোটাবায়া ৰাজাপক্ষৰ সৈতে কটভিড-19 মহামাৰী আৰু ইয়াৰ ফলত অঞ্চলটোত পৰিব পৰা স্বাস্থ্য আৰু অৰ্থনৈতিক প্ৰভাৱৰ বিষয়ে আলোচনা কৰে।

আলোচনা কালত, প্ৰধানমন্ত্ৰী মোডীয়ে শ্ৰীলংকাত মহামাৰীৰ প্ৰভাৱ প্ৰশমিত কৰাৰ ক্ষেত্ৰত বাৰতৰ তৰফৰ পৰা যথাসম্ভৱ সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

ৰাষ্ট্ৰপতি ৰাজাপক্ষাই প্ৰধানমন্ত্ৰীক দেশখনত অৰ্থনৈতিক কাৰ্যকলাপ পুনৰাই আৰম্ভ কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত অৱগত কৰে। এই প্ৰসংগত, দুয়োগৰাকী নেতাই ভাৰতৰ অৰ্থ সাহাৰ্যৰে শ্ৰীলংকাত চলি থকা বিকাশমূলক কাৰ্যক্ৰমসমূহৰ গতি ত্বৰাম্বিত কৰাৰ ক্ষেত্ৰত সহমত পোষণ কৰাৰ লগতে তেওঁলোকে শ্ৰীলংকাত ভাৰতীয় ব্যক্তিগত খণ্ডৰ বিনিয়োগ আৰু মূল্যায়ন-উত্তৰণৰ সম্ভাৱনাৰ সন্দৰ্ভতো আলোচনা কৰে।

প্ৰধানমন্ত্ৰীয়ে শ্ৰীলংকাৰ জনসাধাৰণৰ সু-স্বাস্থ্য আৰু কল্যাণৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

**নতুন দিল্লী**
**মেট 23, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.